# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি দ্বিতীয় দিনাও অগনন গ্ৰন্থপ্ৰেমীৰ সমাগম হয়। গ্ৰন্থমেলাথলীত আজি গ্ৰন্থ প্ৰকাশৰ দায়বদ্ধতা, প্ৰচাৰ আৰু কৌশল অৱলম্বন বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হয়। এইআলোচনাত ভাৰতীয় প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতা সংস্থাৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘাইয়ে অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ সাম্প্ৰতিক সময়ৰ প্ৰযুক্তিয়ে গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত মুকলি কৰা সম্ভাৱনাৰ কথা উল্লেখ কৰাৰ লগতে অনুবাদ সাহিত্যৰ প্ৰয়োজনীয়তাৰ কথাও প্ৰকাশ কৰে। অনুষ্ঠানত নেচনেল বুক ট্ৰাষ্টৰ অসমীয়া বিভাগৰ সম্পাদক দীপ শইকীয়াই অংশ লৈ গ্ৰন্থৰ ক্ষেত্ৰত সম্পাদনাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। অধ্যাপক গংগাপদ চৌধুৰীয়ে সঞ্চালনা কৰা অনুষ্ঠানটোত পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ ূপদেষ্টা নবীন বৰুৱা, ক্ষিৰোদ কুমাৰ গোস্বামী, ড০ বসন্ত কুমাৰ ভূঞা আৰু সদস্য দেৱাশীষ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰে। সন্ধিয়া পশ্চিমবংগৰ বিশিষ্ট লেখক, ইতিহাসবিদ তথা অধ্যাপক হিন্দোল সেনগুপ্তৰ সৈতে অন্তৰংগ আলাপৰ অনুষ্ঠানটি পৰিচালনা কৰে বিশিষ্ট সাংবাদিক তথা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ডং সমুদ্ৰ গুপ্ত কাশ্যপ। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি গ্ৰন্থমেলাথলীত কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়।

০০০০০

সময় আৰু সমাজৰ বিভিন্ন প্ৰত্যাহ্বান নেওচিও সমাজৰ একাংশ লোকে দুৰ্গতসকলৰ সমস্যাৰ সমাধানৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি প্ৰচাৰ কৰা দৃষ্টিপাত অনুষ্ঠানত নিৰলসভাৱে সমাজৰ কেইটামান উল্লেখযোগ্য দিশত কাম কৰি অহা ৩ গৰাকী ব্যক্তি কেয়াৰ ইউ-থ্ৰী ছিক্সটি ফাইভ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিষ্ঠাপক ভৃগু বৰঠাকুৰ, সমাজৰ অৱহেলিত তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে কাম কৰি অহা সংগঠন হেল্প এইড ফাউণ্ডেচনৰ অধ্যক্ষ অঞ্জুলিনা দেৱ চৌধুৰী আৰু বাটে-পথে অৱহেলিত-অনাদৃত হৈ ঘূৰি ফুৰা কুকুৰ-মেকুৰী প্ৰতিপালন কৰা সংগঠন অভিনৱ প্ৰয়াসৰ অধ্যক্ষ উৰ্মিমালা দাসে এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে ইচ্ছাৰ দৃঢ়তা থাকিলে বিভিন্ন বাধাকো নেওচি লক্ষ্যত উপনীত হব পাৰে। দৃষ্টিহীনসকলৰ বাবে কাম কৰি অহা ভৃগু বৰঠাকুৰে এই অনুষ্ঠানত কেইবাগৰাকীও দৃষ্টিহীন শ্ৰোতাৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সহায়ৰ বাবে পৰামৰ্শ দিয়ে। অনুষ্ঠানত অঞ্জুলিনা দেৱ চৌধুৰীয়ে শিক্ষাৰ পৰা বঞ্চিত শিশুসকলৰ দক্ষতা বিকাশ কৰি কিদৰে মূল সূতিলৈ উভতাই আনিব পাৰি সেই বিষয়ে গ্ৰহণ কৰা প্ৰচেষ্টাৰ কথা জানিবলৈ দিয়ে। একেদৰে উৰ্মিমালা দাসে অনুষ্ঠানত কয়, যে সাম্প্ৰতিক সময়ত একাংশ লোকৰ হিংস্ৰ মানসিকতাৰ বাবে পশু পক্ষীৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। তেওঁ লগতে এনে নিৰাশ্ৰয় জন্তুৰ চোৰা চিতাৰ বাবে নিজৰ স্বেচ্ছাসেৱী সংস্থাৰ জৰিয়তে হৈ থকা কামসমূহৰ বিষয়ে উল্লেখ কৰে।

০০০০০

বিদেশী পৰ্যটকৰ আগমনৰ ক্ষেত্ৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাছতে ৰাজ্যৰ পৰ্যটন মানচিত্ৰত নামেৰী ৰাষ্ট্ৰীয় উদ্যানে দ্বিতীয় স্থান দখল কৰিছে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো ২০২২-২৩ চনৰ ১৪ লাখ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত ২৭ লাখ টকাৰ বিপৰীতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ৰাজহ সংগ্ৰহৰ লক্ষ্য ৪২ লাখ টকা স্থিৰ কৰিছে। অসম-অৰুণাচল প্ৰদেশ সীমান্তত অৱস্থিত ৰাষ্ট্ৰীয় উদ্যানখন জৈৱ বৈচিত্ৰৰে ভৰপূৰ। ৰাজ্যিক পক্ষী দেওহাহ, ধণেশ, বনৰীয়া হাতী, ৰাষ্ট্ৰীয় পশু ঢেকিয়াপতিয়া বাঘ, ইত্যাদি প্ৰাণীকূলৰ উপৰিও ৰাষ্ট্ৰীয় উদ্যানখনত বিভিন্ন প্ৰজাতিৰ অৰ্কিড দেখিবলৈ পোৱা যায়। পৰ্যটকৰ বাবে উদ্যান কৰ্তৃপক্ষই নতুনকৈ এটা ট্ৰেকিং পথ সাজু কৰিছে বুলি জানিবলৈ দিছে। ২০২৫ চনৰ জানুৱাৰী মাহত এই পথটো পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। দেশী-বিদেশী পৰিভ্ৰমী চৰাই চাবলৈ জানুৱাৰী মাহৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনত বিদেশী পৰ্যটকৰ সমাগম ঘটে বুলি উদ্যান কৰ্তৃপক্ষই অৱগত কৰিছে।

ooooo

অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম প্ৰদেশ শাখাৰ ৰাজ্যিক অধিবেশন লখিমপুৰ চহৰৰ মণিকাঞ্চন সমন্বয় ক্ষেত্ৰত কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। আজি পুৱাৰ অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ বিভিন্ন বিষয় আলোকপাত কৰে। দুপৰীয়াৰ ভাগত অসমৰ ভিন ভিন ৩ টা ক্ষেত্ৰত সম্ভাৱনা বহন কৰা ৩ গৰাকী উদীয়মান যুৱকক লৈ এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। আবেলি উত্তৰ লখিমপুৰ চহৰৰ মাজেৰে এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত ৰাজ্যৰ প্ৰতিখন জিলাৰ পৰা অহা প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

ooooo

শিৱসাগৰ ছোৱালী মহাবিদ্যালয় প্ৰাংগণত তিনিদিনীয়া কাৰ্যসূচীৰে সদৌ অসম কবি সন্মিলনত সপ্তদশ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত হৈছে। আজি দ্বিতীয় দিনা মহাবিদ্যালয় প্ৰাংগণত এই উপলক্ষে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। পুৱাৰ ভাগত সদৌ অসম কবি সন্মিলনৰ ৩৭ খন পতাকা একেলগে উত্তোলন কৰা হয়। সন্মিলনৰ পৰৱৰ্তী দুবছৰীয়া কাৰ্যকালৰ বাবে আজিয়েই সভাপতি আৰু প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১১৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰীলে কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ পুনৰ প্ৰচাৰ শ্ৰোতাসকলে শুনিবলৈ পাব।

ooooo

সমাপ্ত